NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-06-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

**HEADLINES**

০০০০০০০

১। সমগ্ৰ বিশ্বত আজি দশম আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস পালন কৰা হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শ্ৰীনগৰৰ পৰা যোগ দিৱসৰ অনুষ্ঠানৰ নেতৃত্ব দিয়ে।

২। কয়লা আৰু খনি মন্ত্ৰী জি কিষাণ ৰেড্ডীয়ে আজি হায়দৰাবাদত বাণিজ্যিক খননৰ বাবে কয়লা খনিৰ দশম লানি নিলাম আৰম্ভ কৰে।

৩। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে পৰৱৰ্তী ৫ দিনত অসম, অৰুণাচল, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা আৰু পশ্চিমবঙ্গৰ হিমালয়ৰ দাঁতি-কাষৰীয়া অঞ্চলসমূহত পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি আগলি বতৰা দিছে।

৪। বাংলাদেশৰ প্ৰধানমন্ত্ৰী শ্বেইখ হাচিনা আজি বিয়লি দুদিনীয়া ভ্ৰমণসূচীৰে নতুন দিল্লীত উপস্থিত হয়। *আৰু*

৫। ছেইণ্ট লুছিয়াত হ'বলগীয়া আই চি চি টি টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ এইট পৰ্য্যায়ৰ এখন খেলত আজি ইংলেণ্ড দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

সমগ্ৰ বিশ্বত আজি দশম আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস পালন কৰা হয়। ভাৰতত জম্মু-কাশ্মীৰৰ শ্ৰীনগৰৰ শ্বেৰ-এ-কাশ্মীৰ আন্তঃৰাষ্ট্ৰীয় অভিৱৰ্তন কেন্দ্ৰত এই দিৱসৰ মূল অনুষ্ঠানৰ আয়োজন কৰা হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শ্ৰীনগৰৰ পৰা যোগ দিৱসৰ অনুষ্ঠানৰ নেতৃত্ব দিয়ে। জম্মু-কাশ্মীৰৰ উপ-ৰাজ্যপাল মনোজ সিন্‌হা, কেন্দ্ৰীয় মন্ত্ৰী প্ৰতাপৰাও-গণপতৰাও যাধৱ আৰু আন ভালেসংখ্যক বিশিষ্ট ব্যক্তিয়ে এই অনুষ্ঠানত অংশ লয়।

এই উপলক্ষে প্ৰধানমন্ত্ৰীয়ে শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক বিকাশত যোগৰ গুৰুত্বত আলোকপাত কৰি যোগাভ্যাস সত্ৰত ভাগ লয় আৰু এখন জনসভাক সম্বোধন কৰে। শ্ৰীমোদীয়ে কয় যে, সমগ্ৰ বিশ্বত যোগাভ্যাস কৰা লোকৰ সংখ্যা দিনক দিনে বৃদ্ধি পাইছে আৰু ইয়াৰ উপকাৰিতাৰ সৈতে জনসাধাৰণ পৰিচিত হৈ পৰিছে। প্ৰধানমন্ত্ৰীয়ে কয় যে, সম্ভৱতঃ বিশ্বৰ এনে কোনো নেতা নাই, যিয়ে নিজৰ কথোপকথনত যোগৰ বিষয়ে উল্লেখ

কৰা নাই। সমগ্ৰ বিশ্বত যোগৰ বৰ্ধিত স্বীকৃতিৰ কথা উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে ২০১৫ চনত তুৰ্কমিনিস্তান ভ্ৰমণকালত এটা যোগ কেন্দ্ৰ মুকলি কৰাৰ কথা স্মৰণ কৰে। তেওঁ লগতে তুৰ্কমিনিস্তানত যোগ যথেষ্ট জনপ্ৰিয় হৈ উঠিছে। তুৰ্কমিনিস্তানৰ চৰকাৰী চিকিৎসা বিশ্ববিদ্যালয়ে যোগ চিকিৎসা অন্তৰ্ভুক্ত কৰা বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ লগতে চৌদী আৰবে যোগক শিক্ষা ব্যৱস্থাৰ অংশ কৰা আৰু মংগোলীয়া যোগ ফাউণ্ডেচনে কেইবাখনো যোগ বিদ্যালয় পৰিচালনা কৰা বুলি প্ৰকাশ কৰে। ইউৰোপত যোগৰ স্বীকৃতিৰ কথা উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে, বৰ্তমানলৈকে জাৰ্মানীৰ ১ কোটি ৫০ লাখ নাগৰিকে যোগাভ্যাস কৰিবলৈ লৈছে। তেওঁ কয় যে, যোগ সম্প্ৰতি গৱেষণাৰ বিষয় হৈ পৰিছে আৰু এই সন্দৰ্ভত কেইবাখনো গৱেষণা পত্ৰ প্ৰকাশ পাইছে। বিগত ১০ বছৰত যোগৰ প্ৰসাৰ সন্দৰ্ভত মত প্ৰকাশ কৰি শ্ৰীমোদীয়ে নতুন যোগ অৰ্থব্যৱস্থা আৰু যোগ পৰ্য্যটনৰ প্ৰতি বৰ্ধিত আকৰ্ষণৰ বিষয়ে উল্লেখ কৰে। যোগ স্থল, ৰিজৰ্ট, বিমান বন্দৰ আৰু হোটেলত আছুতীয়া সুবিধা, যোগাভ্যাসত ব্যৱহৃত সাজ-পোচাক-আহিলা আৰু ব্যক্তিগত যোগ প্ৰশিক্ষকৰ বিষয়েও তেওঁ কয়। তেওঁ কয় যে, ইয়াৰ ফলত যুৱ প্ৰজন্মৰ বাবে কৰ্ম-সংস্থাপনৰ নতুন সুযোগ সৃষ্টি হৈছে। এইবাৰৰ যোগ দিৱসৰ বিষয়-বস্তু **নিজৰ লগতে সমাজৰ বাবে যোগ** সন্দৰ্ভত মত প্ৰকাশ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে, বিশ্বই যোগক গোলকীয় কল্যাণৰ শক্তিশালী অভিকৰ্তা বুলি গণ্য কৰিবলৈ লৈছে।

0000000

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে দশম আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উপলক্ষে বিশ্বৰ সকলো লোক বিশেষকৈ ভাৰতীয় নাগৰিকসকলক শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে, যোগ হৈছে মানৱতাৰ প্ৰতি ভাৰতৰ এক অনন্য উপহাৰ। তেওঁ লগতে কয় যে, লোকসকলৰ জীৱন-ধাৰণৰ সৈতে জড়িত বৰ্ধিত সমস্যাসমূহৰ পৰিপ্ৰেক্ষিতত বৰ্তমান সময়ত যোগাভ্যাস অত্যন্ত গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হৈছে। ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে, সুস্থ দৈহিক, মানসিক আৰু বৌদ্ধিক বিকাশৰ বাবে যোগ হৈছে এটা অন্যতম পথ। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৰে যোগক দৈনন্দিন জীৱনৰ অন্যতম অংশ হিচাপে গ্ৰহণ কৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনায়।

0000000

কেন্দ্ৰীয় পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰী ভূপেন্দ্ৰ যাদৱে আজি ডেৰাডুনৰ ইণ্ডিৰা গান্ধী ৰাষ্ট্ৰীয় বন একাডেমীত আয়োজিত যোগ অনুশীলনৰ বিশেষ কাৰ্য্যসূচীত ভাৰতীয় বন সেৱাৰ শিক্ষা নবিচ আৰু ৰাজ্যিক বনসেৱা একাডেমীৰ প্ৰশিক্ষাৰ্থীসকলৰ সৈতে যোগাভ্যাসত অংশগ্ৰহণ কৰে। এই উপলক্ষে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে **এটি গছপুলি মাতৃৰ নামত** অভিযানৰ অধীনত ডেৰাডুনৰ বন গৱেষণা প্ৰতিষ্ঠানত আয়োজিত এটা কাৰ্য্যসূচীত মাতৃ বন প্ৰতিষ্ঠা কৰে। তেওঁ একোটিকৈ গছপুলি ৰোপণ কৰি এই অভিযানত অংশগ্ৰহণ কৰিবলৈ সকলোৰে প্ৰতি আহ্বান জনায়।

এই কাৰ্য্যসূচীত শ্ৰীযাদৱে শিক্ষা নবিচ আৰু প্ৰশিক্ষাৰ্থীসকলৰ সৈতে মত বিনিময় কৰে। মন্ত্ৰীগৰাকীয়ে বন্য প্ৰাণী, জৈৱ বৈচিত্ৰ্য আৰু বনাঞ্চল তথা ইয়াৰ আশে-পাশে থকা লোকসকলৰ সুৰক্ষাৰ ক্ষেত্ৰত বনৰ গুৰুত্বপূৰ্ণ ভূমিকা সন্দৰ্ভত আলোকপাত কৰে।

0000000

আকাশবাণীৰ বাতৰিয়ে ভাৰতৰ সবাতোকৈ বিশ্বাসযোগ্য বাতৰি ব্ৰেণ্ড হিচাপে স্বীকৃতি লাভ কৰিছে। অক্সফোৰ্ড বিশ্ববিদ্যালয়ৰ ৰয়টাৰ্ছ ইনষ্টিটিউট ফৰ দা ষ্টাডি অৱ জাৰ্নেলিমৰ শেহতীয়া জৰীপেৰে দেশৰ সংবাদ মাধ্যমৰ ক্ষেত্ৰখনত আকাশবাণীৰ বাতৰিৰ শ্ৰেষ্ঠত্ব নিশ্চিত কৰিছে। ডিজিটেল বাতৰি প্ৰতিবেদন-২০২৪ৰ অংশ হিচাপে প্ৰকাশিত এই বাৰ্ষিক প্ৰতিবেদনে বিশ্বাসযোগ্যতাৰ ভিত্তিত দেশৰ অন্যান্য প্ৰতিষ্ঠিত সংবাদ গোষ্ঠীসমূহৰ তুলনাত আকাশবাণীৰ বাতৰিয়ে বহু ওপৰত স্থান লাভ কৰিছে। এই উল্লেখযোগ্য সাফল্যৰ প্ৰতি প্ৰতিক্ৰিয়া প্ৰকাশ কৰি প্ৰসাৰ ভাৰতীৰ অধ্যক্ষ নৱনীত কুমাৰ চেহগালে এই স্বীকৃতিক সকলো ধৰণৰ পৰিস্থিতিত সম্পূৰ্ণ সত্য আৰু বিশ্বাসযোগ্য বাতৰি প্ৰচাৰৰ ক্ষেত্ৰত আকাশবাণীৰ বাতৰিৰ প্ৰতিশ্ৰুতিবদ্ধতাকেই সূচাইছে বুলি মন্তব্য কৰিছে। শ্ৰীচেহগালে আকাশবাণী চৌহদত আয়োজিত যোগ দিৱস উদযাপন কাৰ্য্যসূচীতো অংশগ্ৰহণ কৰে। এই উপলক্ষে আকাশবাণীৰ বিষয়া-কৰ্মচাৰীসকলে যোগ আৰু ধ্যানৰ কাৰ্য্যসূচীত ভাগ লয়। কাৰ্য্যসূচীত আকাশবাণীৰ সঞ্চালকপ্ৰধান মৌচুমী চক্ৰৱৰ্তীয়েও অংশগ্ৰহণ কৰে।

০০০০০০০

কয়লা আৰু খনি মন্ত্ৰী জি কিষাণ ৰেড্ডীয়ে আজি হায়দৰাবাদত বাণিজ্যিক খননৰ বাবে কয়লা খনিৰ দশম লানি নিলাম আৰম্ভ কৰে। এই পৰ্য্যায়ত মুঠ ৬৭ টা খনি নিলাম কৰা হ'ব। ইয়াৰ ফলত কয়লাৰ ঘৰুৱা উৎপাদন বৃদ্ধি পাব আৰু দেশৰ বাবে শক্তি সুৰক্ষা সুনিশ্চিত হ'ব। এইবাৰ প্ৰথমবাৰৰ বাবে দিল্লীৰ বাহিৰত কয়লা খনিৰ নিলামৰ আয়োজন কৰা হৈছে। নিলাম প্ৰক্ৰিয়াৰ শুভাৰম্ভ কৰি শ্ৰীৰেড্ডীয়ে কয় যে, চৰকাৰ স্বচ্ছ কয়লা খনিৰ নিলাম নীতিৰ প্ৰতি বদ্ধপৰিকৰ। তেওঁ লগতে কয়লা খনিৰ নিলামে ভাৰতবৰ্ষৰ অৰ্থ ব্যৱস্থাৰ পৰিধি ৫ লাখ কোটি ডলাৰলৈ সম্প্ৰসাৰিত কৰাত সহায় কৰিব।

০০০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অসম আৰু চৌপাশৰ এলেকাসমূহত ঘূৰ্ণী বতাহ সৃষ্টি কৰিব পৰা পৰিসঞ্চৰণ সৃষ্টি হোৱাৰ সম্ভাৱনা আছে। ইয়াৰ প্ৰভাৱত পৰৱৰ্তী ৫ দিনলৈ অসম, অৰুণাচল প্ৰদেশ, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা আৰু পশ্চিমবঙ্গৰ হিমালয়ৰ দাঁতি-কাষৰীয়া অঞ্চলসমূহত পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। এই সময়ছোৱাত কেৰালাৰ উপকূলভাগ, কৰ্ণাটকৰ দক্ষিণ প্ৰান্তৰ দুৰ্গম এলেকা আৰু কংকণ গোৱাতো ধাৰাষাৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান বিভাগে আগলি বতৰা দিছে।

০০০০০০০

বাংলাদেশৰ প্ৰধানমন্ত্ৰী শ্বেইখ হাচিনা আজি বিয়লি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আমন্ত্ৰণমৰ্মে দুদিনীয়া ভাৰত ভ্ৰমণসূচীৰে নতুন দিল্লীত উপস্থিত হয়। ভাৰতত নতুন চৰকাৰ গঠন হোৱাৰ পাছত এয়া কোনো বিদেশী নেতাৰ প্ৰথম দ্বিপাক্ষিক চৰকাৰী ভ্ৰমণ। অভ্যাগত প্ৰধানমন্ত্ৰীগৰাকীয়ে আজি বিয়লি ড০ এছ্ জয়শংকৰৰ সৈতে আলোচনাত মিলিত হ'ব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ৩০ জুনত আকাশবাণীযোগে প্ৰচাৰ হ'বলগীয়া মন কী বাত অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। প্ৰধানমন্ত্ৰীয়ে সামাজিক মাধ্যমযোগে  নৰেন্দ্ৰ মোদী এপ, মাই গভ মুকলি মঞ্চৰ জৰিয়তে অথবা ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰত ফোন কৰি পৰামৰ্শ আগবঢ়াবলৈ সকলোৰে প্ৰতি আহ্বান জনাইছে। অনুষ্ঠানটিৰ এই  খণ্ডটিৰ বাবে ২৮ জুন পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

এয়া অনুষ্ঠানটিৰ ১১১ সংখ্যক আৰু শ্ৰীমোদী একেৰাহে তৃতীয় কাৰ্যকালৰ বাবে প্ৰধানমন্ত্ৰী হিচাপে নিৰ্বাচিত হোৱাৰ পাছত প্ৰচাৰ হবলগীয়া প্ৰথম খণ্ড।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেৱছাইট আৰু নিউজ অন মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

ooooooo

ছেইণ্ট লুছিয়াত হ'বলগীয়া আই চি চি টি টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ আজিৰ দ্বিতীয়খন খেলত ইংলেণ্ড দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ছুপাৰ এইট পৰ্য্যায়ৰ এই খেলখন ভাৰতীয় সময় অনুসৰি, নিশা ৮ বজাত আৰম্ভ হ'ব। ইপিনে, অষ্ট্ৰেলিয়াই এণ্টিগুৱাৰ নৰ্থ ছাউণ্ডৰ চাৰ ভিভিয়ান ৰিছাৰ্ডছ ষ্টেডিয়ামত অনুষ্ঠিত ছুপাৰ এইট পৰ্য্যায়ৰ আজিৰ প্ৰথমখন খেলত বাংলাদেশক ডাক ৱৰ্থ লুইচ পদ্ধতিৰে ২৮ ৰাণত পৰাস্ত কৰে। খেলখনত বাংলাদেশে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৮ উইকেটৰ বিনিময়ত ১৪০ ৰাণ কৰে। প্ৰত্যুত্তৰত অষ্ট্ৰেলিয়াই ১১ অভাৰ আৰু দুটা বলত দুটা উইকেট হেৰুৱাই ১০০ ৰাণ কৰা অৱস্থাত বৰষুণে খেলখনত বিধি-পথালি দিয়ে। ফলত ডাৰ্ক ৱৰ্থ লুইচ পদ্ধতিৰ সহায় ল'বলগীয়া হয় আৰু সেই অনুসাৰে, অষ্ট্ৰেলিয়াই ২৮ ৰাণত জয়লাভ কৰে। খেলখনত অষ্ট্ৰেলিয়াৰ বেগী বলাৰ পেট কামিন্সে হেট্ৰিক অৰ্জন কৰে। ইয়াৰ লগে লগে কামিন্স টি-টুৱেণ্টি বিশ্বকাপত হেট্ৰিক লাভ কৰা প্ৰথমগৰাকী খেলুৱৈৰূপে পৰিগণিত হয়।

ooooooo

সমাপ্ত